# [1][ বাজেয়াপ্ত কৃত নিক্ষেপ অধিনিয়ম, ১৮৫০]

## ১৮৫০ ৰ অধিনিয়ম সংখ্যা ২৫

**১৮১৯ ৰ'[2] বিনিয়ম '৮' ৰ অধীনত ভূমিৰ অসম্পূৰ্ণ বিক্ৰীৰ ওপৰত কৃত নিক্ষেপৰ চৰকাৰলৈ বাজেয়াপ্ত কৰণৰ বাবে এখন অধিনিয়ম ।**

[3]X X X X X

**[ ১৪ জুন, ১৮৫০]**

**প্ৰস্তাৱনা ।** যিহেতু পতনিদাৰ সকলে [4]X X X প্ৰৱঞ্চনামূলক ভাৱে বঙ্গ সংহিতাৰ ১৮১৯ৰ বিনিয়মন ৮ৰ ধাৰা ৯ৰ [5]উপবন্ধই নিজে এই সুবিধা লয় [6]X X X যে বকেয়া খাজনাৰ বাবে [7]X X X ভূমি বিক্ৰীত লব্ধ বাজেয়াপ্তকৃত নিক্ষেপ প্ৰয়োগ কৰে যেনিবা এইবোৰ ক্ৰয় ধনৰাশিহে ; ইয়াক নিম্নলিখিত ৰূপে অধিনিয়মিত কৰা হওক ঃ-

১ । [নিৰসন] নিৰসন অধিনিয়ম, ১৮৭০ৰ (১৮৭০ৰ ১৪) ধাৰা ১ আৰু অনুসূচী, অংশ ।। ৰ দ্বাৰা নিৰসিত ।

**বাজেয়াপ্তকৃত নিক্ষেপৰ প্ৰয়োগ ।** ২ । এনে কোনো বাজেয়াপ্তকৃত নিক্ষেপ বিক্ৰীৰ ব্যয় বহন কৰিবলৈ প্ৰয়োগ কৰা হব, আৰু ৰাহি ধন চৰকাৰলৈ বাজেয়াপ্ত কৰা হব ।

---

১ । সংশোধন অধিনিয়ম, ১৮৯৭ ৰ (১৮৯৭ ৰ ৫) ধাৰা ৪ আৰু অনুসূচী III ৰ দ্বাৰা সংক্ষিপ্ত নাম দিয়া হৈছে ।

যিহেতু এই অধিনিয়ম বঙ্গ পতনি টলুকচ বিনিয়মন, ১৮১৯ (১৮১৯ ৰ ৮) ৰ অনুপূৰক, সেইবাবে ইয়াৰ পূৰ্বৰ সমগ্ৰ বঙ্গ প্ৰদেশৰ বাবে সেই বিনিয়মনৰ দৰে পাৰিত হৈছে বুলি মান্য কৰা হব ।

এই অধিনিয়মখন অনুসূচিত জিলা অধিনিয়ম, (১৮৭৪ ৰ ১৪) ধাৰা ৩ৰ অধীনত অধিসূচনাৰ দ্বাৰা হাজাৰি বাৰ্গ, ৰাঁচি, পালামু আৰু মানভূম জিলা আৰু চোটনাগপুৰ সংমণ্ডলৰ চিংভূম জিলাৰ ধালভূম আৰু কোলহান পৰগনাত বলবৎ থকা বুলি ঘোষণা কৰা হৈছে, ভাৰতৰ ৰাজপত্ৰত, ১৮৮১ৰ ভাগ 'I', পৃষ্ঠা ৫০৪ দ্ৰষ্টব্য ।

এই অধিনিয়মখন সনথান পৰগনা নিষ্পত্তি বিনিয়মন (১৮৭২ ৰ ৩), ধাৰা ৩(১) আৰু অনুসূচীৰ দ্বাৰা সনথাল পৰগনাত বলবৎ থকা বুলিও ঘোষণা কৰা হৈছে ।

২ । বঙ্গঁ পতনি টালুকচ্ বিনিয়ম ১৮১৯।

৩ । ''আৰু অধিনিয়ম ৪, ১৮৪৬'' শব্দাৱলী আৰু সংখ্যাসমূহ ১৮৯১ ৰ অধিনিয়ম ১২, ধাৰা ২ আৰু অনুসূচী I, ভাগ 'I' ৰ দ্বাৰা নিৰসিত কৰা হৈছে।

৪।''আৰু নিৰ্ণীত ঋণী'' শব্দাৱলী একেই অধিনিয়মৰ ধাৰা ২ অনুসূচী I, ভাগ 'I', ৰ দ্বাৰা নিৰসিত।

৫ । উল্লিখিত উপবন্ধ বৰ্তমান অধিনিয়মৰ ধাৰা ১ৰ দ্বাৰা নিৰসিত কৰা হৈছে ।

৬ । ''আৰু ধাৰা ৫, অধিনিয়ম ৪, ১৮৪৬'' শব্দাৱলী আৰু সংখ্যাসমূহ ১৮৯১ৰ অধিনিয়ম ১২ৰ ধাৰা ২ আৰু অনুসূচী I, ভাগ Iৰ দ্বাৰা নিৰসিত কৰা হৈছে ।

৭ । ''ডিক্ৰীৰ নিষ্পাদনত বা'' শব্দসমূহ একেই অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচী I, ভাগ Iৰ দ্বাৰা নিৰসিত কৰা হৈছে ।